# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 13-02-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

***::::::::::::::::::::::::::::::***

১।  ৰাজ্য চৰকাৰৰ ছিংগল উইণ্ডো ক্লিয়াৰেন্স প্ৰণালীত আঢ়ৈ লাখ ব্যৱসায়িক প্ৰস্তাৱত অনুমোদন।

২।  অসমত গৃহ নিৰ্মাণৰ বাবে অনলাইন অনুমতি প্ৰদানৰ ব্যৱস্থাৰ শুভাৰম্ভ।

৩।  বিশ্ব ৰেডিঅ’ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বিশেষ কাৰ্যসূচী।

৪।  বিদ্যালয় শিক্ষাৰ সাম্প্ৰতিক পৰিস্থিতি পূৰ্বতকৈ যথেষ্ট উন্নত বুলি ৰাজ্যিক বাৰ্ষিক প্ৰতিবেদনত প্ৰকাশ। **আৰু**

৫।  যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত কৃষি আৰু আনুষংগিক খণ্ডত বতৰ আৰু জলবায়ু বিষয়ক ৰাষ্ট্ৰীয় সন্মিলন

০০০০০

অসম চৰকাৰে ৰাজ্যখনক বহনক্ষম বিনিয়োগ নিশ্চিত কৰাৰ বাবে বিনিয়োগৰ বৃহৎ সংখ্যক বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ পৰিৱৰ্তে গুৰুত্বপূৰ্ণ খণ্ডসমূহত বহনক্ষম বিনিয়োগ বিচাৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এডভাণ্টেজ আচাম বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত বিগত দুদিন ছিংগাপুৰত কেইবাগৰাকীও উদ্যোগপতি আৰু চৰকাৰী-বেচৰকাৰী নেতৃবৃন্দৰ সৈতে আলাপ আলোচনাৰ পাছত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ছিংগাপুৰৰ উদ্যোগসমূহৰ প্ৰতিনিধিসকলৰ অসমত বিনিয়োগৰ আগ্ৰহ অতিকৈ উৎসাহজনক। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্যখনে সৰলতা, দক্ষতা আৰু স্বচ্ছতা বৰ্তাই ৰাখি অসমত ব্যৱসায়িক সুচলতাৰ বাবে প্ৰয়াস কৰি আহিছে। ৰাজ্য চৰকাৰৰ ছিংগল উইণ্ডো ক্লিয়াৰেন্স প্ৰণালীৰ জৰিয়তে এতিয়ালৈ কমেও আঢ়ৈ লাখ ব্যৱসায়িক প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যখনৰ উন্নয়নৰ সৈতে বিশেষভাৱে জড়িত তিনিটা মূল প্ৰকল্প নুমলিগড় শোধানাগাৰৰ সম্প্ৰসাৰণ, চেমিকনডাক্টৰ প্ৰকল্প আৰু নামৰূপ সাৰ প্ৰকল্প সম্পূৰ্ণ হলে ৰাজ্যখনৰ অৰ্থনীতিৰ শক্তিশালী বুনিয়াদ নিৰ্মাণত  প্ৰকল্পসমূহে মূল ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

সমাগত এডভাণ্টেজ আচাম সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত হবলগীয়া ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানৰ ঝুমইৰ বিনন্দিনী প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবলৈ আজি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, পিযুষ হাজৰিকা আৰু

ৰণজিৎ কুমাৰ দাসে বিজেপিৰ কাৰ্যকৰ্তাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত এই বৈঠকত অনুষ্ঠানটো নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা সুনিশ্চিত কৰিবলৈ পৰামৰ্শ দিয়া হয়।

ooooo

অসমত গৃহ নিৰ্মাণৰ বাবে অনলাইন অনুমতি প্ৰদানৰ ব্যৱস্থা আজি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত গুৱাহাটীত শুভাৰম্ভ কৰা হয়। এই ডিজিটেল মঞ্চৰ সহায়ত ৰাজ্যখনত গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান প্ৰক্ৰিয়া স্বচ্ছ, সৰল আৰু ত্বৰান্বিত হোৱাৰ ফলত নাগৰিকসকলে গৃহ নিৰ্মাণৰ বাবে সহজে অনুমতি লাভ কৰাত সহায় কৰিব পাৰিব। তদুপৰি ইয়াৰ ফলত নিৰ্মাতা প্ৰতিষ্ঠানসমূহো উপকৃত হ'ব। এই ব্যৱস্থাৰ অধীনত প্ৰথম পৰ্যায়ত ৫০ হাজাৰৰো অধিক জনসংখ্যাৰ ৩২ খন চহৰত এই সুবিধা প্ৰদান কৰা হ'ব আৰু পৰৱৰ্তী সময়ত বাকী চহৰসমূহৰ বাসিন্দাসকলে এই সুবিধা লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

আজিৰ অনুষ্ঠানত গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধীকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, গুৱাহাটী পৌৰ নিগম আৰু ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooo

আজি বিশ্ব অনাতাঁৰ দিৱস। এইবাৰৰ এই দিৱসৰ মূল বিষয় হৈছে ৰেডিঅ' আৰু জলবায়ু পৰিবৰ্তন। ইউনেস্কোৰ উদ্যোগত ২০১২ চনৰ পৰা পালন কৰি অহা এই দিৱসত অনাতাঁৰ মাধ্যমৰ কাম-কাজ আৰু জনসাধাৰণৰ মাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাৰ লগতে বিভিন্ন বিষয়ত সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈ আহিছে। আজি এই দিৱস উপলক্ষে বিশ্বৰ বিভিন্ন অনাতাঁৰ কেন্দ্ৰত ভিন ভিন কাৰ্যসূচীৰে আয়োজন কৰা হয়। আকাশবাণীৰ সঞ্চালক প্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌড়ে এই উপলক্ষে দিয়া এটা বাণীত আকাশবাণীক অধিক দায়বদ্ধ আৰু সমাজ সচেতন কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে চানমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন শীৰ্ষক এটা বক্তৃতাৰ আয়োজন কৰিছে। বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ ড° অৰনী কুমাৰ ভাগৱতীয়ে এই বক্তৃতা আগবঢ়াব। এই বক্তৃতাৰ পাছতেই কেন্দ্ৰৰ ঘোষক-ঘোষিকাসকলে **আকাশী লহৰ** নামৰ গীত-মাত আৰু আবৃত্তিৰ আন এটা অনুষ্ঠান পৰিবেশন কৰিব। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে আজি নিশা ৯ বজাত এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ভাগ ল'ব দূৰদৰ্শনৰ অভিযান্ত্ৰিক শাখাৰ উপসঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক নয়ন প্ৰসাদে। অনুষ্ঠানটোৰ আঁত ধৰিব উজ্বল বৰাই।

ৰেডিঅ' আৰু আকাশবাণীৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক বহুদিনীয়া। সমাজৰ বিভিন্ন স্তৰৰ লোকে জীৱনৰ কোনোবা নহয় কোনোবা সময় আকাশবাণীৰ সৈতে অতিবাহিত কৰি আহিছে। আলোচনাপন্থী সংযুক্ত মুক্তি বাহিনী, অসম চমুকৈ আলফাৰ প্ৰাক্তন সাধাৰণ সম্পাদক অনুপ চেতিয়াৰ কাৰাৰুদ্ধ জীৱনত আকাশবাণীৰ সৈতে তেওঁৰ সম্পৰ্ক চেতিয়াৰ মুখেৰেই শুনো আহক।

বাইট ঃ অনুপ চেতিয়া

নগাঁৱৰ মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই আজি বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে। দিৱসৰ অংশ হিচাপে ৰূপহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰেডিঅ' শুনাৰ অভ্যাস গঢ়ি তোলা আৰু ইয়াৰ উপকাৰিতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে অনুষ্ঠানৰ আয়োজন কৰা হয়। তদুপৰি কেবাগৰাকীও বিশিষ্ট শিল্পীৰ সোঁৱৰণত ৰেডিঅ' ছেট বিতৰণ কৰা হয়। অনুষ্ঠনৰ অংশ হিচাপে চাইকেল সমদল, গছপুলি ৰোপণ আৰু বিশ্ব ৰেডিঅ' দিৱস সন্দৰ্ভত বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানতে মধ্য অসম ৰেডিঅ' শ্ৰোতাসংঘই ঘোষণা কৰা চলিত বৰ্ষৰ লোক শিল্পী বঁটা মিলেশ্বৰ নাথক প্ৰদান কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজিত থিতাতে লিখা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ আজি বিতৰণ কৰা হয়। অনুষ্ঠানত সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহৰ সৰ্বাংগীণ উন্নয়নৰ হকে ৰাজ্য চৰকাৰে আগবঢ়োৱা বিভিন্ন সুবিধাসমূহৰ ফলস্বৰূপে সম্প্ৰতি বিদ্যালয় শিক্ষা ব্যৱস্থাৰ যথেষ্ট উন্নতি হৈছে। বিদ্যালয় শিক্ষাৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত প্ৰকাশ পোৱা বাৰ্ষিক প্ৰতিবেদন অনুসৰি ২০১০ চনৰ তুলনাত ২০২৪ চনত মধ্যাহ্ন ভোজন, খোৱাপানী, ছাত্ৰীৰ বাবে পৃথক প্ৰস্ৰাৱগাৰ, পুথিভঁৰাল, বিদ্যুতৰ ব্যৱস্থা আদি ক্ষেত্ৰত ভালেখিনি উন্নয়ন সাধন কৰা হৈছে। সেই অনুসৰি ২০১০ চনত ৬৭ দশমিক ৩ শতাংশ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন কৰোৱাৰ বিপৰীতে ২০২৪ চনত এই হাৰ ৮৩ শতাংশলৈ বৃদ্ধি পায়। একেদৰে খোৱাপানীৰ সুবিধা ৬০ দশমিক ৯ শতাংশৰ পৰা ৭৯ দশমিক ৪ শতাংশলৈ বৃদ্ধি পাইছে। প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি ২০১০ চনত ৩৩ দশমিক ১ শতাংশ বিদ্যালয়তহে প্ৰস্ৰাৱগাৰৰ সুবিধা আছিল। ইয়াৰ পৰিৱৰ্তে ২০২৪ চনত এই হাৰ ৮০ দশমিক ৯ শতাংশ হয়। একেদৰে ছাত্ৰীৰ বাবে পৃথক আৰু ব্যৱহাৰযোগ্য প্ৰস্ৰাৱগাৰৰ হাৰ ১৩ দশমিক ৭ শতাংশৰ পৰা ৬৭ দশমিক ৭ শতাংশ বৃদ্ধি হয় বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে।

০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে **কৃষি আৰু আনুষংগিক খণ্ডত বতৰ আৰু জলবায়ু ভিত্তিক সিদ্ধান্তৰ বাবে অগ্ৰণী প্ৰযুক্তি কৌশল** শীৰ্ষক এখন ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বতৰ বিজ্ঞান সংঘৰ উদ্যোগত আয়োজন কৰা এই সন্মিলন আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমহন্তই কৃষি ক্ষেত্ৰত বতৰ বিজ্ঞানৰ ভূমিকা আৰু শেহতীয়া তথ্য প্ৰযুক্তিৰ জৰিয়তে কৃষকক সকাহ দিয়াৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে দেশে যথোচিত মাত্ৰাত খাদ্য উৎপাদনৰ বাবে সঠিকভাৱে বতৰৰ ৰেহৰূপ নিৰ্ধাৰণ কৰাটো অতি প্ৰয়োজনীয়। অনুষ্ঠানত কৃষি বতৰ বিজ্ঞান সংঘৰ অধ্যক্ষ ড০ কমলেশ কে সিঙে কৃষি বতৰ বিজ্ঞানৰ জৰিয়তে আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি কৃষকসকলক উপকৃত কৰাৰ বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰে। এই অনুষ্ঠানতে কৃষি বতৰ বিজ্ঞান ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে বতৰ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা বিজ্ঞানী ড০ কমলাকান্ত নাথ, ড০ ৰফিউল হুছেইন আৰু ড০ পূন্য গগৈ খনিকৰক সন্মান জনোৱা হয়। সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ কৃষি বিজ্ঞানী, বতৰ বিজ্ঞানী, জলবায়ু বিশেষজ্ঞ, প্ৰযুক্তিবিদ, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছে।

০০০০০

ৰাজ্যত ৮৫৬টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰম্ভ হৈছে। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৪৪ হাজাৰ ৫০২ গৰাকী ছাত্ৰ আৰু ১ লাখ ৬২ হাজাৰ ৪২৩ গৰাকী ছাত্ৰী আছে। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাত ২ লাখ ৩০ হাজাৰ ৯১ গৰাকী, বিজ্ঞান শাখাত ৫৭ হাজাৰ ৭২৪ গৰাকী, বাণিজ্য শাখাত ১৭ হাজাৰ ৮৬৯ গৰাকী আৰু বৃত্তিমূলক শিক্ষাত এহেজাৰ ২৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। পৰীক্ষা সমাপ্ত হোৱাৰ পাছত ৰাজ্যৰ মুঠ ৪৫টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহীৰ মূল্যায়ন কৰা হ'ব।

ইপিনে, অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যত ৯৪৪টা পৰীক্ষা কেন্দ্ৰত মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব।

ooooo

এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতি ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানীয় প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম তিনিগৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। তদুপৰি নিৰ্বাচিত ১০০ গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

ooooo

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়িক বিষয়া য়াৰেন জুংলা লংকুমেৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে আজি নিযুক্তি প্ৰদান কৰিছে। মন্ত্ৰালয়ে দেশৰ আন কেইবাখনো ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ বাবেও আজি নতুন ন্যায়াধীশ আৰু অতিৰিক্ত ন্যায়াধীশ নিযুক্তি দিয়ে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে যোৱা ৪ জানুৱাৰীত লংকুমেৰৰ লগতে এগৰাকী অধিবক্তাৰ নাম উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল।

ooooo

বাক্সা জিলাৰ কেশৰ নগৰত ছহিদ কেশৰ বসুমতাৰীৰ স্মৃতিত ২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা জনজাতি জিৰণী ঘৰ আজি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উদ্বোধন কৰে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে বিপিএফে বিটিচিত বিৰোধী দল হিচাপে কোনোধৰণৰ ভূমিকা পালন কৰা নাই। বিপিএফৰ নিষ্ক্ৰিয় ভূমিকাৰ বাবে প্ৰাক্তন বিধায়ক হিতেশ বসুমতাৰীয়ে ইউ পি পি এলত যোগদান কৰিবলৈ আহিছে বুলি উল্লেখ কৰি শ্ৰীগৌৰাই বিটিচিত পুনৰ ইউ পি পি এল-বিজেপিৰ চৰকাৰ হ'ব বুলি দাবী কৰে।

ooooo

যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত আজি বিভাগৰ সভাকক্ষত জিলাখনৰ জলজীৱন মিছনৰ সৈতে জড়িত লোকসকলৰ **জল আড্ডা** শীৰ্ষক এটা মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। এই জল আড্ডাত জলজীৱন মিছনৰ সফল ৰূপায়ণ, জল সংকট দূৰীকৰণ আৰু পানীৰ অপব্যৱহাৰ ৰোধ সন্দৰ্ভত মত বিনিময় কৰা হয়। এই জল আড্ডাত জিলাখনৰ ৭ খন বিদ্যালয়ৰ প্ৰায় ৫০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই পৰহিলৈ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত কেন্দ্ৰ অভিযন্তা থগাৰাম ৰাভাৰ কালি সন্ধিয়া গুৱাহাটী বিৰুবাৰীৰ নিজা বাসভৱনত মৃত্যু হয়। যোৱা সপ্তাহত ব্ৰেইন ষ্ট্ৰোকত আক্ৰান্ত হৈ বাসগৃহতে চিকিৎসাধীন হৈ থকা ৰাভাৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৮ বছৰ। আজি দুপৰীয়া নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে আজি থগাৰাম ৰাভাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

ooooo

বিশিষ্ট গল্পকাৰ তথা অসম সাহিত্য সভাৰ জাতীয় ন্যাস সমিতিৰ প্ৰাক্তন আহ্বায়ক ভদ্ৰেশ্বৰ ৰাজখোৱাৰ কালি নিশা নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁক বিভিন্ন সময়ত অম্বিকাগিৰি ৰায়চৌধুৰী সোঁৱৰণী বঁটা, অসম প্ৰবাহ সাহিত্য বঁটা, সাহিত্যিক পেন্সনকে ধৰি বহুকেইটা বঁটাৰে সন্মানিত কৰা হৈছিল। নগাঁৱৰ নিজা বাসগৃহত আজি সাহিত্যিকগৰাকীৰ নশ্বৰদেহত বিভিন্ন ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শেষ শ্ৰদ্ধা জনায়। সাহিত্যিকগৰাকীৰ মৃত্যুত মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা আৰু দিপ্লুৰঞ্জন শৰ্মাকে ধৰি বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত